# দ্য গহপুৰ গেজেট

**দ্বি-ভাষিক বিদ্যাৰ্থী পত্ৰিকা, গণ মাধ্যম বিভাগ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ**

**প্ৰথম সংস্কৰণ, সংখ্যাঃ ১, চেপ্তেম্বৰ ২০১৭**


## ৰক্তদান শিবিৰ

**গহপুৰৰ প্ৰতিবেদক, জুন২১ ঃ**

তেজপুৰস্থিত বেচৰকাৰী সংস্থা “সৃষ্টি” আৰু ছয়দুৱাৰ মহাবিদ্যালয়ৰ উদ্যোগত যোৱা ২৪ জুন তাৰিখে এটি ৰক্তদান শিবিৰ অনুষ্ঠিত হয়।

উক্ত শিবিৰত ২১ গৰাকী দাতাই ৰক্তদান কৰে। শিবিৰৰ আৰম্ভণিতে মহাবিদ্যালয় অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই উদ্বোধনি বক্তব্য আগবঢ়াই। বক্তৃতাৰ প্ৰসঙ্গত তেখেতে কয় যে ৰক্তদান এক মহান দান আৰু ৰক্তদান কৰি জীৱন ৰক্ষা কৰিব পাৰি। উক্ত শিবিৰত তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাঃ সুনিল দলে আৰু ডাঃ অভিনন্দন দাসকে ধৰি বেচৰকাৰী সংস্থা সৃষ্টিৰ কৰ্মকৰ্তা আৰু মহাবিদ্যালয়ৰ কেইবাজনো অধ্যাপক উপস্থিত থাকে।

## সুৰা ব্যৱসায়ী আটক

**গহপুৰৰ প্ৰতিবেদক,জুন ২৭ ঃ**

আৰকাৰি বিভাগে ২৬জুন তাৰিখে গহপুৰৰ এজন অবৈধ সুৰা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে আৰকাৰি বিভাগে জিতু শৰ্মা নামৰ সুৰা ব্যৱসায়ীজনৰ বাসগৃহৰ পৰা ৯১কাৰ্টুন অবৈধ সুৰা উদ্ধাৰ কৰে। পুলিচে পুনৰ জিতু শৰ্মাৰ মোমায়েক কনক শৰ্মাৰ বাসগৃহত ২৮ জুনত অভিযান চলাই কেইবা বস্তাও বিদেশী সুৰা উদ্ধাৰ কৰে । বিশেষসুত্ৰই জানিব পৰা মতে জিতু শৰ্মাই বহুদিন ধৰি অৰুণাচলৰ সুৰাৰ বটলত অসমৰ লেবেল লগাই গহপুৰত সুৰাৰ ব্যৱসায় কৰি আহিছিল ।

# বানৰ কবলত গহপুৰ

**তনুশ্ৰী হাজৰিকা,জুলাই ৪,গহপুৰঃ**

গহপুৰত চত্ৰং , কুকুৰজান, চেঁচা নৈৰ বানৰ সংহাৰি ৰূপৰ সমান্তৰালকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ বাঢ়নী পানীৰ তাণ্ডৱ আৰম্ভ হৈছে। গহপুৰৰ চত্ৰংপাৰ , মধ্যচত্ৰং , নিউ-পূৰুপবাৰী, তলতলি গাঁও, কণিবড়ি আদি বহু কেইখন গাঁও বাঢ়নী পানীয়ে বুৰাই পেলায় । প্ৰতি বছৰে গহপুৰ নগৰৰ সোঁ মাজেৰে বৈ যোৱা চত্ৰং নদীৰ বাঢ়নী পানীযেও গাওঁবাসীক জীয়াতু ভোগাই আহিছে। চলিত বছৰৰ বাৰিষাৰ আৰম্ভণিতে ফেনে-ফুটুকাৰে বাঢ়ি অহা নদীখনৰ তীব্ৰ গতিৰ সোঁতে ৬ নং ৱাৰ্ডৰ মথাউৰিটোৰ প্ৰায় ৪০মিটাৰ অংশ উটুৱাই নিয়ে। মথাউৰি ভাঙি সোমাই অহা বানে সেই অঞ্চলৰ বাসিন্দা সকলৰ বাসগৃহ, পশুধনকে আদি কৰি সা-সম্পতিৰ বিস্তৰ ক্ষতি সাধন কৰে। উল্লেখযোগ্য যে ২০১৫ গহপুৰ জলসম্পদ



ছবি ঃ তনুশ্ৰী হাজৰিকা

বিভাগৰ দ্বাৰা আৱণ্টিত প্ৰায় ২৪লাখ টকাৰ ধনৰ ব্যয়েৰে মথাউৰিটোৰ নিৰ্মাণ কৰিছিল যদিও স্থানীয় ৰাইজৰ অভিযোগ মতে উক্ত মথাউৰি নিৰ্মাণ অতি নিম্ন মানৰ হোৱাৰ ফলত পুনৰ নদীখনৰ সোঁতে মথাউৰিটো উটুৱাই নিলে। এনিশাৰ নেৰানেপেৰা বৰষুণৰ ফলত কুকুৰজান নৈৰ বাঢ়নী পানীয়ে গহপুৰৰ বহু অংশ প্লাৱিত কৰাৰ লগতে কণিবড়ি পথত এখন টাটা ডিআই বাহন উটুৱাই নিয়ে। কুকুৰজান নদীৰ বাঢ়নী পানীৰ ফলত ৩০টাৰো অধিক পৰিয়াল ক্ষতিগ্ৰস্ত হয়। প্ৰাপ্ত খবৰ মতে বাকৰিদলনি গাঁও পঞ্চায়তৰ তলতলি গাঁওখনৰ মুখ্য পথটো এবুকু পানীত ডুব যোৱাৰ বাবে গাঁওবাসীয়ে নাৱেৰে যাতায়ত কৰিব লগীয়া হৈছে। স্থানীয় ৰাইজে আশ্ৰয় শিবিৰত বহু প্ৰতিকুল পৰিৱেশত দিন কটাবলগীয়া হৈছে। বন্যাত ৰাইজৰ অভিযোগ মতে চৰকাৰৰ ফালৰ পৰা পৰ্যাপ্ত পৰিমাণৰ বান সাহাৰ্য্য প্ৰদান কৰা হোৱা নাই। ২৬ জুলাই তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া সচীব ভি. শশাংক শেখৰ আৰু গহপুৰৰ স্থানীয় বিধায়ক উৎপল বৰা সমন্নিতে কেন্দ্ৰীয় চৰকাৰৰ এটি দলে গহপুৰৰ বানবিধস্ত অঞ্চল পৰিদৰ্শন কৰে। কেন্দ্ৰীয় চৰকাৰ দলটোৱে বানাক্ৰান্তৰ অৱস্থাৰ বুজ লোৱাৰ লগতে চৰকাৰৰ লগত আলোচনাৰ মাধ্যমেৰে বানসমস্যাৰ সমূল সমাধানৰ আশ্বাস প্ৰদান কৰে।

# স্বাধীনতা দিৱস উৎযাপন

**গহপুৰৰ প্ৰতিবেদক,আগষ্টৰ ১৫ঃ**

সমগ্ৰ দেশৰ লগতে ছয়দুৱাৰ মহাবিদ্যালয়তো ৭১ সংখ্যক স্বাধীনতা দিৱস উলহ-মালহেৰে পালন কৰা হয়।

স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই। পতাকা উত্তোলনৰ আগেয়ে মহাবিদ্যালয়ৰ এন.চি.চি. গোটে মহাবিদ্যালয়ৰ অধ্যক্ষক অভিবাদন জনায়। পতাকা উত্তোলনৰ পাছতে উত্তোলকৰ ভাষণ প্ৰদান কৰে অধ্যক্ষ গৰাকীয়ে। তেখেতে ভাষণৰ প্ৰসঙ্গত স্বাধীনতা আন্দোলনৰ বীৰ যোদ্ধা সকলক সোঁৱৰে।



ছবি-প্ৰতিবেদক

স্বাধীনতা দিৱস উৎযাপন অনুষ্ঠানত অধ্যক্ষ, উপাধ্যক্ষ আৰু কেইবাজনো অধ্যাপকৰ লগতে ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# সম্পাদকীয় পৃষ্ঠা

## বানৰ পৰিত্ৰান বিচাৰি...

শাওনৰ পথাৰত কঠিয়া গজাল ধৰাৰ সময়তে ইটোৰ পিছত সিটো বানে জুৰুলা কৰি গৈছে অসমৰ জনসাধাৰণক। উজনিৰ পৰা নামনি লৈকে ৰাজ্যৰ ১৯ খন জিলাত প্ৰত্যক্ষভাৱে হাজাৰ হাজাৰ লোক বানৰ কবলত পৰিছে। প্ৰতি বসন্তত অসমৰ ৰাইজে উলহ-মালহেৰে জাতীয় উৎসৱ বিহু পালন কৰিব নোৱাৰিলেও কিন্তু বানপানী নামৰ উৎসৱটো প্ৰতি বছৰে বাধ্যতামুলক ভাৱে পালন কৰি আহিছে।

অসমৰ ইতিহাসৰ প্ৰতিটো পাতে এই স্থায়ী সমস্যাটোৰ সাক্ষ্যবহন কৰি আহিছে। কিন্তু আজিলৈকে কেন্দ্ৰীয় চৰকাৰে অসমৰ বান সমস্যাক লৈ বিশেষ গুৰুত্ব দিয়া দেখা ন'গল। অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিব লাগে বুলি অসমৰ বহুতো দল সংগঠনে ব্যাপক আন্দোলনৰ গঢ়ি তুলিছে। কিন্তু কেন্দ্ৰৰ পৰা কোনো সহাঁৰি পোৱা নাই। তিনি কোটিৰো অধিক লোকৰ জীৱনলৈ ভয়াৱহতা নমাই অনা এই সমস্যাটো কেৱল মাত্ৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি হৈ ৰ'ল। বৃহৎ নদীবান্ধ প্ৰকল্প অসমৰ বহু ঠাইত হাতত লোৱা হৈছে কিন্তু এই প্ৰকল্প সমুহৰ উপযুক্ত পৰিৱেশগত মুল্যায়ণ নোহোৱাৰ কাৰণে এই উচ্চাভিলাযী প্ৰকল্প সমূহে জনসাধাৰণৰ বহু ক্ষয়-ক্ষতি কৰিছে। আগন্তুক দিনটো এনে সমুহ নদী বান্ধৰ পৰা অসমৰ বৃহৎ অঞ্চলৰ ক্ষতি হোৱাৰ আশংকা আছে। কৃষি প্ৰধান এই ৰাজ্যত কৃষি কৰ্মত বান পানীয়ে এনেদৰে বাৰে বাৰে বাধা দি থাকিলে ৰাজ্যখনৰ আৰ্থ সামাজিক ক্ষেত্ৰত সংকট আৰু ঘনীভুত হ'ব।

অসমক বিশ্বৰ আগত চিনাকী কৰাই দিয়াৰ অন্যতম পৰ্যটনস্থলী নদীদ্বীপ মাজুলী আজি অস্তিত্বৰ সংকটত। মাজুলী সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব নিদি কেৱল মাত্ৰ জিলা হিচাপে ঘোষণা কৰিয়ে দায়িত্ব সামৰিলে। কেৱল মাজুলীয়ে নহয় লগতে অসমৰ অন্যতম আকৰ্ষণস্থলি কাজিৰঙাৰো ৮০ পৰা ৯০ শতাংশ অঞ্চল বাৰিষাৰ সময়ত বানৰ কৱলত পৰে ।

অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধান কৰিবলৈ বিজ্ঞান সন্মত ভাৱে মাথাউৰি সমুহ নিৰ্মাণ কৰা উচিত। আজিলৈকে চৰকাৰে বানপানীৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত যিমান পদক্ষেপ গ্ৰহণ কৰিছে সেইসমুহ বিজ্ঞান সন্মতভাৱে গ্ৰহণ নকৰাৰ ফলত সমস্যা সমুহৰ স্থায়ী সমাধান হোৱা নাই। বানপানী সমস্যাৰ ক্ষেত্ৰত চৰকাৰে যিমান গুৰুত্ব দিব লাগিছিল সিমান গুৰুত্ব প্ৰদান নকৰাৰ ফলত সমস্যা সমুহ দিনে দিনে বাঢ়ি গৈ আছে। অসমৰ জনজীৱনৰ আটাইতকৈ ডাঙৰ সমস্যা বানপানী যদি চৰকাৰে ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি প্ৰদান কৰিব নোৱাৰে তেন্তে কেন্দ্ৰীয়ৰসদৃশ এই সমস্যাৰ স্থায়ী নিৰ্মুলৰ ব্যৱস্থা কৰক।

**সম্পাদনা মণ্ডলি**

***মুখ্য পৃষ্ঠপোষক ঃ*** *ড° অঞ্জন কুমাৰ ওজা*

***উপদেষ্টা ঃ*** *ড° জগন্নাথ উপাধ্যায়*

***সম্পাদক ঃ*** *হিৰন্ময় মৰাণ, তনুশ্ৰী হাজৰিকা*

***ৰিপৰ্টিং টীম ঃ*** *অলংকৃতা দে, হিনা খাতুন, জুৰি শইকীয়া, সংগীতা ছেত্ৰী, গুথাল নাৰ্জাৰী, অমিথ বসুমতাৰী, পুৰ্ণিমা ৰয়*

***কৃতজ্ঞতা স্বীকাৰ ঃ*** *ৰুপক গগৈ, শিঞ্জিত কমল বৰা*

***প্ৰকাশক ঃ*** *গণ মাধ্যম বিভাগ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ*

## নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

সমাজৰ অধিকাংশ নাৰীয়েই শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। প্ৰতিদিনে বহুতো মহিলা অন্ধ-বিশ্বাস, কু-সংস্কাৰ আদিৰ বলি হৈ মৃত্যুমুখত পৰিছে ইয়াৰ অন্যতম কাৰণ সমাজৰ শিক্ষাৰ অভাৱ। আজিৰ প্ৰযুক্তিৰ দিনত বহুতো মহিলাই সময়ৰ সতে আগবাঢ়ি যাব নোৱাৰাৰ অন্যতম কাৰণ শিক্ষাৰ অভাৱ। এখন দেশৰ উন্নয়ণ নিৰ্ভৰ কৰে দেশখনৰ শিক্ষা ব্যৱস্থাত। পুৰুষৰ সমানে নাৰী সকলকো সমানে শিক্ষা প্ৰদান কৰিলে লিংগবৈষম্যৰ সমস্যাৰ পৰা পৰিত্ৰান পোৱা যাব। এগৰাকী মহিলা শিক্ষিত হ'লে তেওঁ আত্মনিৰ্ভৰশীল হ'ব, তেতিয়া এই পুৰুষতান্ত্ৰীক সমাজত নিজকে লিঙ্গবৈষম্যৰ পৰা হ'বপৰা সমস্যাৰ বলি হোৱাৰ পৰা নিজকে ৰক্ষা কৰিব পাৰিব। শিক্ষাই মনৰ লগতে বৰ্হি জগতৰ পৰিসীমা বঢ়ায়।

চীনৰ বিপ্লৱী মাওঁচে-তুঙে কৈছিল অৰ্ধ আকাশ নাৰীৰ হাতত। এই সুজলা-সুফলা সেউজীয়া পৃথিৱীত নাৰীৰ অধিকাৰ পুৰুষৰ দৰে সমান। সেইয়ে নাৰী আৰু পুৰুষ একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি।গতিকে নাৰীসকল শিক্ষিত হ'লেহে প্ৰকৃতাৰ্থত সমাজৰ বিকাশ হ'ব। ভাৰতবৰ্ষৰ সমাজ এখন পিতৃতান্ত্ৰিক সমাজ। এই সমাজত এফালে নাৰীক সৰস্বতী দেৱী হিচাপে পূজা কৰে আনফালে দৈনিক বহু মহিলাক ডাইনী সজাই হত্যা কৰা হয়। এচাম নিকৃষ্ট মনোবৃত্তিৰ পুৰুষৰ কামনাৰ বলি হৈ আহিছে নাৰী। এই সমাজতেই যৌতুকৰ বাবে মৃত্যুক সাৱতিব লগা হৈছে। ইয়াৰ অন্যতম কাৰণ প্ৰয়োজনীয় শিক্ষাৰ অভাৱ। যদিহে মহিলা সকলো অৰ্থনৈতিকভাৱে ভাৱে সবল হ'ব পাৰে তেন্তে পৰনিৰ্ভৰশীল হৈ চলাৰ প্ৰয়োজনীয়তা নাথাকিব। শিক্ষাই মনোবল বৃদ্ধি কৰে। শিক্ষিত হ'লে মহিলা সকলে অন্যায় আৰু অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিবলৈ সক্ষম হ'ব, কোনো ধৰণৰ নিৰ্যাতন নসহি প্ৰতিবাদ সাব্যস্ত কৰিব। সন্তানৰ লিংগ নিৰ্ণায়ক মহিলা বুলি সমাজত প্ৰচলিত অ-বিজ্ঞানসন্মত ধাৰণাৰ বাবে বহুতো মহিলা নিৰ্যাতিত হয়। এই ঘটনা সমাজত নিত্য নৈমিত্তিক হৈ পৰিছে।

নাৰী পুৰুষৰ অৰ্ধাঙ্গ তথাপিও দেশত মহিলা সকলক শিক্ষাৰ দৰে মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা হয়। বৰ্তমান সময়ত তথাপিও সমাজৰ কিছু অংশত নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছে। তাৰ ফলস্বৰূপে মহিলা মহাবিদ্যালয়, ছোৱালী বিদ্যালয় চৰকাৰে স্থাপন কৰিছে কিন্তু সেই খিনিয়ে পৰ্যাপ্ত নহয়।

ভাৰতৰ সংবিধানে সকলোকে সম-অধিকাৰ প্ৰদান কৰিছে তাৰ ফলস্বৰূপে বিধান সভা আৰু লোক সভাত মহিলাৰ আসন সংৰক্ষণৰ ক্ষেত্ৰত এখন বিধেয়ক উত্থাপন কৰা হৈছিল। কিন্তু বিধেয়ক কেৱল বিধেয়ক হৈয়ে ৰ'ল, আইনলৈ আৰু পৰিণত নহ'ল। পূৰ্বৰ চৰকাৰৰ দিনত উচ্চ সদনত কিছু তৎপৰতা দেখা গৈছিল যদিও বৰ্তমান চৰকাৰে বিধেয়কখনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা পোৱা নাই। ই কেৱল এক নিৰ্বাচনী প্ৰতিশ্ৰুতি হিচাপে ওলমি আছে।

বৰ্তমান সমাজত নাৰীসকল মুক্তমনে চলা-ফুৰা কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। পুৰুষৰ তুলনাত নাৰীয়ে প্ৰতিখোজতে সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়। এনেকুৱা পৰিস্থিতিৰ কাৰণে আজি নাৰী শিক্ষাৰ প্ৰসাৰত বাধা জন্মিছে। একবিংশ শতিকাত এগৰাকী মহিলাই কি পিন্ধিব, কি খাব, কেতিয়া ওলাব সেইবোৰক লৈ চৰ্চা কৰে অথবা আন এগৰাকী মহিলাই নিৰ্ধাৰণ কৰিব বিচাৰে। বহুতো ঠাইত দেখিবলৈ পোৱা যায় যে কন্যা সন্তানক কম বয়সতে শিক্ষা সামৰাই বিয়াত বহিবলৈ বাধ্য কৰা হয়।

***একবিংশ শতিকাত এগৰাকী মহিলাই কি পিন্ধিব, কি খাব, কেতিয়া ওলাব সেইবোৰক লৈ চৰ্চা কৰে অথবা আন এগৰাকী মহিলাই নিৰ্ধাৰণ কৰিব বিচাৰে।***

শিক্ষা সুযোগ নহয়, অধিকাৰহে। এই সমস্যাবোৰৰ পৰা পৰিত্ৰান পাবলৈকে নাৰী শিক্ষাৰ প্ৰয়োজন নহয়, এই শিক্ষাই নাৰীক পুৰুষৰ সমপৰ্যায়লৈ উন্নীত কৰিব লাগিব। পুৰুষ সকলে যি উদ্দেশ্যে শিক্ষা গ্ৰহণ কৰে ঠিক একেদৰে মহিলাসকলেও একে উদ্দেশ্যে শিক্ষা গ্ৰহণ কৰা উচিত। মহিলা সবলীকৰণ তেতিয়াহে সম্ভৱ, যেতিয়া পুৰুষৰ সমানে মহিলায়ো সম-অধিকাৰ পাব।

- ---- **হিৰন্ময় মৰাণ**

Mouthpiece

# গহপুৰ-ঘগৰা বাগান সংযোগী পথৰ দুৰৱস্থা

**গহপুৰ প্ৰতিবেদক,আগষ্ট ২৫ঃ** বৃহত্তৰ ঘগৰা বাগান আৰু গহপুৰ নগৰ সংযোগী এক মাত্ৰ পথটোৰ দুৰৱস্থাত ৰাইজে জীয়াতু ভুগিব লগা হৈছে। উক্ত পথটোত বৃহৎ বৃহৎ খালৰ সৃষ্টি হোৱাত ঘগৰা বাগানৰ ৰাইজ দৈনন্দিন যাতায়তৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হয়। এই পথেৰে প্ৰতিদিনে বাগানলৈ কেঁচা পাত অনা বাহনৰ সঘনাই চলাচল কৰাৰ লগতে এই পথটোয়ে চৰকাৰি বিদ্যালয়, ছয়দুৱাৰ প্ৰাথমিক শিক্ষা খণ্ড বিষয়াৰ কাৰ্য্যালয় আৰু বহুকেইটা চৰকাৰী কাৰ্য্যালয় সংযোগ কৰে। স্থানীয় ৰাইজে জনোৱা অনুসৰি বহুবাৰ পথটোৰ মেৰামতি কৰিবলৈ আবেদন জনাইছে যদিও প্ৰশাসনে পথটোৰ মেৰামতিৰ কাম বৰ্তমানলৈকে হাতত লোৱা নাই। জানিব পৰা মতে ঘগৰা বাগান কৰ্তৃপক্ষৰ তৰফৰ পৰা অস্থায়ী ভাৱে পথটোৰ মেৰামতি কৰা হয় যদিও বাৰিষা পুনৰ পথটিৰ শোচনীয় অৱস্থা হয়।



## হেলেমত মৰণাস্ত্ৰ উদ্ধাৰ

**জুৰি শইকীয়া,গহপুৰ,আগষ্ট ১০ ঃ** গহপুৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত বৰুৱাপথাৰ সিংপৰাত যোৱা ১০আগষ্ট বিয়লি মৰাণাস্ত্ৰ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ মতে এগৰাকী মহিলাই পথৰ কাষত থকা এখন চাহ বাগিছাৰ গাতত এটি ৰাইফল ভৰ্তি বেগ প্ৰতক্ষ্য কৰে। স্থানীয় ৰাইজে খবৰ দিয়াৰ পাছত হেলেম আৰক্ষীয়ে ঘটনাস্থলিৰ পৰা এটা ৰাইফল,চাইলেঞ্চাৰ,খালী মেগেজিন আৰু বিভিন্ন ধৰণৰ আনুসাংগিক সজুঁলি উদ্ধাৰ কৰে। ষষ্ঠ সংযোজন এলেকাৰ সমীপৱৰ্তী সিংপৰাত উদ্ধাৰ হোৱা ৰাইফলটো কোনো গড় হত্যাৰ বাবে চোৰাং চিকাৰীয়ে আনিছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে।

## আছুৰ বিক্ষোভ

**জুন ১৯, গহপুৰ ঃ** বানাক্ৰান্তক পৰ্যাপ্ত পৰিমাণে সাহাৰ্য্য , শিশুৰ খাদ্য-চিকিৎসা সেৱা প্ৰদান আৰু পুনৰ সংস্থাপনৰ লগতে মথাউৰি নিৰ্মাণত দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰক শাস্তি প্ৰদানৰ দাবী জনাই সদৌ অসম ছাত্ৰ সন্থাই এক বিক্ষোভ কাৰ্যসূচী অনুষ্ঠিত কৰে। গহপুৰ নগৰৰ মাজমজিয়াত ছাত্ৰ সংগঠনটোৱে এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰে। গহপুৰ মহকুমা ছাত্ৰ সন্থাই উক্ত দাবী সন্নিবিষ্ট এখন স্মাৰক পত্ৰ মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উক্ত কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দুলদুল বৰকটকী, উপ সভাপতি ভুৱনেশ্বৰ তাঁতিকে ধৰি গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

## গ্ৰন্থ উন্মোচন

**অলংকৃতা দে, জুলাই ২৬ঃ** গহপুৰৰ শ্বহীদ ভৱনত সৃষ্টি আৰু ছন্দ প্ৰকাশনৰ উদ্যোগত ২৬ জুলাইত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত গহপুৰৰ সাংবাদিক,প্ৰৱন্ধকাৰ,কবি তথা সাহিত্যিক নগেন কোঁৱৰৰ "ঐতিহাসিক গহপুৰ আৰু অন্যান্য প্ৰবন্ধ" নামৰ প্ৰবন্ধ পুথিখন উন্মোচিত হয়। উক্ত অনুস্থানত উন্মোচক হিচাপে উপস্থিত থাকে সাহিত্য একাডেমি বঁটা বিজয়ী কবি জ্ঞান পুজাৰী। গ্ৰন্থখন উন্মোচন কৰি কবি গৰাকীয়ে এই গ্ৰন্থখনিয়ে জ্ঞান পিপাসু সকলক গহপুৰৰ বিষয়ে জনাত যথেষ্ট সহায়ক হ'ব বুলি মত প্ৰকাশ কৰে। একে সভাতে প্ৰত্যুষ প্ৰকাশনগোষ্ঠিৰ দুমহীয়া কাব্যালোচনী ছন্দৰ পঞ্চম সংখ্যাও উন্মোচিত হয়। সভাৰ লগতে সংগতি ৰাখি নবীন-প্ৰবীন কবিৰ স্ব-ৰচিত কবিতাপাঠৰ এটি অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিশিষ্ট কবি-সাহিত্যিক বংশী বৰা , নগেন কোঁৱৰ আৰু সবিতা কোঁৱৰকে আদি কৰি অঞ্চলটোৰ বহু কেইজন সাহিত্যনুৰাগী উপস্থিত থাকে।

## সৰ্পদংশনত মৃত্যু

**সংগীতা ছেত্ৰী, জুন ২৫,গহপুৰঃ** গহপুৰ মহকুমাৰ হেলেম মৌজাৰ অন্তৰ্গত গমিৰিৰ শান্তিপুৰ গাঁৱত এগৰাকী বৃদ্ধা মহিলাৰ সৰ্প দংশনত মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি শান্তিপুৰ গাঁৱৰ অতি দৰিদ্ৰ তথা অকলশৰীয়া মহিলা পবিত্ৰা দেবীক(৭০) নিজ গৃহ মেৰামতি কৰি থাকোতে ফেঁটী সাপে দংশন কৰে। স্থানীয় ৰাইজে পবিত্ৰা দেবীক লগে লগে চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে বৃদ্ধা গৰাকীক মৃত বুলি ঘোষনা কৰে ।

## অভিনন্দন অনুষ্ঠান

**গহপুৰৰ প্ৰতিবেদক,জুন১৩ঃ** গহপুৰ জিলা হাই স্কুল শিক্ষক সন্থাই গহপুৰ মহকুমাৰ অন্তৰ্গত বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা ২০১৭ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩৪ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে। ১২ জুনত অনুষ্ঠিত উক্ত অনুষ্ঠানত গহপুৰ মহকুমাৰ মহকুমাধিপতি ইন্দ্ৰনশী দাস উদ্বোধক হিচাপে উপস্থিত থাকে। মহকুমাধিপতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ কৃতিত্বৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে বুলি মন্তব্য কৰে। এই অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধক্ষ্য ড° অঞ্জন কুমাৰ ওজা উপস্থিত থাকে। তেখেতে তেখেতৰ ভাষণত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কৃতিত্বৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিব পৰাটো গুৰুত্বপূৰ্ণ বিষয় বুলি মন্তব্য কৰে। অনুষ্ঠানটিত কৃতী ছাত্ৰ-ছাত্ৰী সকলৰ লগতে স্থানীয় বহু কেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## The Princi Pronounces



I am elated to learn that students of Department of Mass Media, Chaiduar College are bringing out the first issue of their departmental newsletter 'The Gohpur Gazette'. Hope this newsletter will serve as a much needed podium for engaging discussions on issues pertaining to contemporary society. I laud the efforts of the students who came up with this idea and realised it. Like their earlier productions, I am hopeful that this newsletter will showcase good journalistic standards and abilities from this bunch of budding scribes. I congratulate every stakeholder of this print venture for their valuable contributions to make this newsletter attain real coordinates. I look forward to 'The Gohpur Gazette' to mature as a platform for 'Free Media' and 'Plural Voices of Periphery'.

Dr. A.K.Ozah.
Principal
Chaiduar College
Gohpur

## হেলেমত পথ দূৰ্ঘটনা

**সংগিতা ছেত্ৰী, ২২ জুন,গহপুৰ ঃ** হেলেম চাহ বাগানৰ সন্মুখত যোৱা ২২ জুনৰ নিশা সংঘটিত এটা ভয়াবহ পথ দুৰ্ঘটনাত সাত জন লোক আহত হয় । আহত কেইজনৰ মাজত দুজনৰ অৱস্থা সংকতজনক। স্থানীয় সূত্ৰৰ মতে চাহ পাত লৈ যোৱা এখন বলেৰো গাড়ী আৰু মিছামাৰী-হেলেম অভিমুখী এখন মাৰুতি কাৰৰ মুখা-মুখী সংঘৰ্ষত এই ঘটনা সংঘটিত হয়। ঘটনাস্থলীত উপস্থিত থকা স্থানীয় ৰাইজে মৃত্যুঞ্জয় এম্বুলেন্স সেৱা মাতি আহত লোককেইজনক কেথ'লিক মিচন হস্পিতাললৈ প্ৰেৰণ কৰে।

## বহুভাষী কবিগোষ্ঠি সন্মিলন

**গহপুৰৰ প্ৰতিবেদক,জুলাই,১৪ ঃ** গহপুৰৰ গমিৰি হাইস্কুলৰ খেলপথাৰত যোৱা ১৩ জুলাইত এখন জিলা ভিত্তিক বহু ভাষী কবি গোষ্ঠী সন্মিলন অনুস্থিত হয়। উক্ত অনুষ্ঠানটিত সমীক্ষক হিচাপে আনন্দ চন্দ্ৰ আগৰৱালা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যাপক ড° ধ্বনি ধূঙ্গেল আৰু শিক্ষক চন্দ্ৰ লূইটেল উপস্থিত থাকে। আদি কবি ভানু ভক্তৰ সোঁৱৰণত অনুস্থিত কৰা এই অনুষ্ঠানটি উদ্বোধন কৰে বিশ্বনাথ জিলাৰ কবি সন্মিলনৰ সভাপতি বংশী বৰাই। উক্ত অনুষ্ঠানটিত কবিতা আবৃত্তিকে আদি কৰি আন বহুতো সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশিত হয়। এই অনুষ্ঠানত সমগ্ৰ বিশ্বনাথ জিলাৰ লগতে আন আন ঠাইৰো কবি আৰু সাহিত্যানুৰাগী সকল উপস্থিত থাকে ।

## ছাত্ৰ-ছাত্ৰীৰ সাফল্য

**গহপুৰৰ প্ৰতিবেদক ,জুলাই ২৮ ঃ** ছয়দুৱাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দুগৰাকী শিক্ষাৰ্থীয়ে মিচাইল মানৱ ড° এ.পি.জে.আব্দু ল কালামৰ সোঁৱৰনত ২৭ জুলাই তাৰিখে লক্ষ্ণৌত অনুষ্ঠিত হৈ যোৱা এক যুৱ আলোচনা চক্ৰত অংশগ্ৰহণ কৰে।প্ৰাণী বিজ্ঞান বিভাগ ছাত্ৰী ৰজী ভূএগ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ অংশুমান হাজৰিকাই "সৱল সমাজ গঢ়িবৰ কাৰণে সংবাদ মাধ্যমৰ ভুমিকা" শীৰ্ষক এক আলোচনা চক্ৰত অংশগ্ৰহণ কৰে। উল্লেখ্য যে লক্ষ্ণৌস্থিত ড° এ.পি.জে আব্দুল কালাম টেকনিকেল বিশ্ববিদ্যালয়ে আয়োজন কৰা এই আন্তঃৰাষ্ট্ৰীয় যুৱ আলোচনাচক্ৰত সমগ্ৰ ভাৰতৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। তাৰে ভিতৰত অসমৰ হৈ তিনি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে।

# HSLC students felicitated in Gohpur

**DAIMALU, JUNE 6 :** A total of 28 meritorious students from the Bodo Medium schools who have produced excellent results in the last High School Leaving Certificate (HSLC) Examination,2017 conducted by Secondary Education Board of Assam (SEBA) were felicitated by Gohpur Anchalik Brahma Dharma Porisalona Samiti here on Tuesday. Baba Jogeshwar Brahma, Advisor of the Anchalik Brahma Dharma Porisalona Samiti while attending the function said "It is a great event organized by Gohpur Anchalik Brahma Dharma Porisalona Samiti to felicitate students passing out from Bodo Medium schools in the Gohpur Sub-Division. Studentswho have done exceedingly well studying in their mother tongue are to be respected and they can also earn their higher studies through hard dedication in future times". Bipin Basumatary, Head Master, Daimalu Bodo High School expressing his happiness asserted that it is heartwarming to see students doing well without sufficient teachers and lack of facilities in venture schools. To encourage the bright students securing First Division, Star and Distinction marks from Bodo Medium Schools of Gohpur Sub-Division , Anchalik Brahma Dharma Porisalona Samiti conducts such programs annually. Manilal Basumatary, President of Gohpur Anchalik Brahma Dharma Porisalona Samiti was also present during the program.

## Chromes of **CHANGE**



The dilapidated condition of Veterinary Sub-Centre at Naya Gogra in Chengaigaon clearly reflects apathy on part of administration and the State Government. **Picture courtsey- Tanushree Hazarika**

# Glocal

## Bus Runs Over One

**GANGA, JULY 14:** A bus ran over a young woman thereby killing her at the Ganga Bus Stop near Itanagar yesterday. The girl has been identified as Tok Deepa (21) and was a college-goer. The police recovered the dead body in a severely disfigured condition. According to Aakansha Negi, one of the eye witnesses present there at the time of the incident said that the accident happened due to sheer negligence and carelessness on the part of the girl. The girl was crossing road with her headphones on and did not notice the bus arriving at the Bus stop. Suddenly, she slipped and fell on the incoming vehicle.Police rushed to the spot getting the information and seized the vehicle and arrested the driver.

**GOHPUR, JUNE 17:** In a dreadful road mishap on Friday evening two students of Chaiduar College were killed on the spot after a speeding Tractor hit their bike at Sengmora.The deceased were identified as Chitraban Rajkhuwa and Bedanta Sharma of nearby locality Dubia.

## Kid falls into Bore-well

**HOLONGI, JUYL 18:** In a shocking incident, a two year old boy fell into a 100 feet deep bore-well at Patila Middle Govt. School in Holongi on Tuesday. According to the information gathered, the boy fell inside the well while he was playing. But the family and the local population came to know about the incident seven hours later. The police and the NDRF team rushed to the spot getting the information and started procedures for rescuing the child. After a prolonged effort from the police and NDRF team, the boy was rescued safely and was sent to R.K.Mission Hospital, Itanagar for a medical check-up. According to hospital sources the boy was in critical condition when he was admitted at the hospital. Meanwhile, the local people have filled up the bore-well to avoid any such incidents in future.

## Students detained

**HOLONGI, AUGUST 14:** Arunachal Pradesh Police on Monday afternoon detained six college going students from Assam here at the Holongi Check Gate. According to Police the students were trying to cross to the other side without valid documents. According to the information gathered from the local people, the six youths crossed the border gate near Holongi without the permission of the Arunachal Pradesh Police. They were also not having any valid pass or documents for crossing the gate. The patrolling security forces on Independence Day duty detained them and interrogated them about the same. However, the students alleged that the check gate security assaulted them without any reason.Although Arunachal Pradesh Police has said that the students were asked to return. This event has raised a lot of eyebrows on the alleged misbehaviour of Arunachal Pradesh Police on Assam citizens.

## Hues of Humanity



Chaiduar College fraternity providing food and other relief materials to the flood affected people of *Dakshin Jaipur* on August 22, - **Horendra Morang**

## Martial Arts championship

**GOHPUR , JULY 9**: Grappling Association of Assam on July 9 organised the All Assam Martial Arts Championship at the indoor stadium of the Cotton College, Guwahati. A total of 400 participants from 21 districts participated in various events like Karate, Wushu, Kick-Boxing , Taekwondo and Grappling. The Bidang Group from Mixed Martial Arts category was adjudged the Best Team by the juries. It was also informed during the event that 14 players from the state of Assam have made it to the team which will participate in the First Edition of Indo-Sril Lanka Open Karate Championship to be held on August 5 and 6 .

# আহি আছে "মিছন চাইনা"

সাংস্কৃতিক প্ৰতিবেদক ঃ

অহা ৮ ছেপ্টেম্বৰ মুক্তি লাভ কৰিব যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ বহু চৰ্চিত অসমীয়া বোলছবি মিছন চাইনা। বৰ্তমানলৈকে অসমৰ আটাইতকৈ ব্যয় বহুল ছবি হিচাপে স্বীকৃতি লাভ কৰা ছবিখিন অসম, অৰুণাচলৰ লগতে চিক্কিম আদি ঠাইত দৃশ্যগ্ৰহণ কৰা হৈছে। আন অসমীয়া ছবিৰ তুলনাত এই ছবিখনত বহুগুনে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ কৰি দৃশ্যগ্ৰহণ কৰা হৈছে। কিছুদিনৰ আগেয়ে মুক্তি লাভ কৰা ছবিখনৰ "দিন জ্বলে ৰাতি জ্বলে" নামৰ ভিডিঅ'টো মুক্তি হোৱাৰ লগে লগে বহু জনপ্ৰিয়তা লাভ কৰিছে। ভিডিঅ'টো চাই আমি জানিব পাৰিছো ছবিখনত পূৰ্বৰ অসমীয়া ছবিৰ তুলনাত নতুনত্ব দেখা গৈছে । যুৱপ্ৰজন্মৰ জনপ্ৰিয় শিল্পীজনে ইতিমধ্যে কেইবাখনো চলচ্চিত্ৰ নিৰ্মাণ কৰি জনপ্ৰিয় হৈছে। কিন্তু নতুনকৈ মুক্তি লাভ কৰিবলগা ছবিখনে জনপ্ৰিয় হোৱাৰ লগতে অসমীয়া চলচ্চিত্ৰ উদ্যোগটো উপৰলৈ নিব বুলি পৰিচালকৰ লগতে চলচ্চিত্ৰ বিশেষজ্ঞ সকলে মতপোষন কৰিছে। সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমটো ছবিখনে বিশেষভাৱে চৰ্চা লাভ কৰিছে। জুবিন গাৰ্গে ছবিখনৰ সন্দৰ্ভত সামাজিক মাধ্যমৰ যোগেৰে কিছু বক্তব্য দাঙি ধৰি কয় "এই ছবিখনে ২.৫০ কোটিতকৈও অধিক টকা খৰচ হৈছে কিন্তু এই টকাখিনি ঘূৰাই নাপাওঁ, প্ৰচেষ্টা লৈছোঁ কেৱল অসমীয়া চিনেমা উদ্যোগটো উন্নত কৰাৰ আৰু তামিল চিনেমা উদ্যোগৰ দৰে কৰাৰ, সিহঁতে পাৰে আমি কিয় নোৱাৰিম ?"

অহা ছেপ্টেম্বৰ মাহত মুক্তি লাভ কৰিবলগা ছবিখনে অসমীয়া ভাষাৰ উপৰিও বেংগলী ভাষাটো মুক্তি লাভ কৰিব। ইয়াৰ লগতে ছবিখনে উত্তৰ-পূব, পশ্চিমবংগ, মুম্বাই, বাংগালোৰ আদি ঠাইৰ ছবিগৃহত মুক্তি লাভ কৰিব।

ছবিখনৰ পৰিচালনাৰ লগতে সংগীত পৰিচালনাও কৰিছে জনপ্ৰিয় শিল্পীগৰাকীয়ে। জুবিন গাৰ্গ, প্ৰৱিত্ৰ ৰাভাৰ লগতে কেইবাগৰাকী নবীন প্ৰবীন অভিনেতাই ছবিখনত অভিনয় কৰিছে । মিছন চাইনাই সকলোৰে ভবাৰ দৰে কিমান সফল আৰু জনপ্ৰিয় হ'ব সেইয়া সময়েহে ক'ব।

*স্পষ্টীকৰণ ঃ এই বাতৰি কাকতত প্ৰকাশিত সকলো অভিমত গণমাধ্যম বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অনুদিত। এই কাকতত প্ৰকাশিত অভিমতসমূহে মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী প্ৰতিফলিত নকৰে।*




▪ যোৱা ২০ আগষ্টত তেজপুৰত অনুষ্ঠিত ক্ৰীড়া সাংবাদিকতা কৰ্মশালাত সমল ব্যক্তিসকলৰ লগত ছয়দুৱাৰ মহাবিদ্যালয়ৰ গণমাধ্যম বিভাগৰ ছাত্ৰ-ছাত্ৰী।

# ভাৰতৰ মাহিলা ক্ৰিকেটৰ উত্থান

ক্ৰীড়া প্ৰতিবেদক ঃ




ইমান দিন ক্ৰিকেট বুলি কলেই আমি কপিল দেৱ, অনিল কুম্বলে, শচিন তেণ্ডুলকাৰ, সৌৰভ গাঙ্গুলি, মহেন্দ্ৰ সিং ধোনী, বিৰাট কোহলি বুলিয়ে ভাৰি আছিলো। তেওঁলোক ভাৰতৰ ঘৰুৱা ক্ৰিকেতৰ দৰ্শকৰ লগতে সমগ্ৰ বিশ্বতে ক্ৰিকেট প্ৰেমীৰ বাবে বৰ আপোন। সংবাদ মাধ্যম বিলাকটো কেৱল পুৰুষৰ ক্ৰিকেটলৈ গুৰুত্ব সহকাৰে সংবাদ পৰিবেশিত কৰা হয়।

যোৱা জুলাই মাহত ইংলেণ্ডত অনুস্থিত হৈ যোৱা মহিলা বিশ্বকাপৰ পিচতে ভাৰতৰ ক্ৰিকেট প্ৰেমীৰ কাৰণে নতুনকৈ কেইটামান নাম অন্তভূৰ্ক্তি হ'ল। বিশ্বকাপ জয় কৰিব নোৱাৰিলেও ভাল খেল প্ৰদৰ্শন কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হ'ল ভাৰতীয় মহিলা ক্ৰিকেট দল। তাৰকাৰ শাৰীত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল দলটোৰ অধিনায়ক আৰু কেইবাগৰাকী খেলুৱৈ। মিতালী ৰাজ, ঝুলন গোস্বামী, পুনম ৰাউত, দীপ্তি শৰ্মা, হৰমন পীত কৌৰ আদি খেলুৱৈৰ নাম গণজ্ঞাপনৰ বিভিন্ন মাধ্যমৰ জৰিয়তে ১৩০ কোটি ভাৰতীয় নাগৰিকৰ মাজত জনপ্ৰিয় হৈ পৰিছে। অৱশ্যে মিতালী ৰাজ আৰু ঝুলন গোস্বামীৰ নাম আৰ্ন্তজাতিক ক্ষেত্ৰত প্ৰতিষ্ঠিত কিন্তু বাকী কেইগৰাকী খেলুৱৈৰ এই প্ৰাপ্তি মহিলা ক্ৰিকেটৰ কাৰনে এক নতুনযোগৰ সুচনা কৰিছে ।

বিশ্বৰ মহিলা ক্ৰিকেট বুলি ক'লেই অষ্ট্ৰেলিয়া আৰু ইংলেণ্ডৰ ৰাজত্ব কথা বুজো কিন্তু শেহতীয়াকৈ হৈ যোৱা বিশ্বকাপত ইংলেণ্ডক লীগ মেচত আৰু অষ্টেলিয়াক ছেমি ফাইনেলত হৰুৱাই ভাৰতীয় মহিলা ক্ৰিকেট দলে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে।

ভাৰতৰ দৰে পুৰুষ প্ৰধান দেশত মহিলাৰ এই জয়যাত্ৰা নিশ্চয় লেখত ল'বলগীয়া। যদিও ভাৰতবৰ্ষ এখন গণতান্ত্ৰীক ৰাষ্ট্ৰ কিন্তু মহিলা সবলিকৰণ দিশটোত চৰকাৰে এতিয়ালৈকেও ইমান গুৰুত্ব দিয়া দেখা নাযায়। ইয়াৰ উদাহৰণ ভাৰতৰ পুৰুষ ক্ৰিকেট দল আৰু মহিলা দলটো পুৰুষৰ দলটো যিমান গুৰুত্ব দিয়ে কিন্তু মহিলা দলটোক ইমান গুৰুত্ব দিয়া দেখা নাযায়। পুৰুষৰ তুলনাত মহিলা দলে পোৱা বিভিন্ন ধৰণৰ সুযোগ-সুবিধা, বেতন-ভাত্তা আদিৰ ক্ষেত্ৰটো বহুতো বৈষম্য পৰিলক্ষিত হয়।

*বিশ্বৰ মহিলা ক্ৰিকেট বুলি ক'লেই অষ্ট্ৰেলিয়া আৰু ইংলেণ্ডৰ ৰাজত্ব কথা বুজো কিন্তু শেহতীয়াকৈ হৈ যোৱা বিশ্বকাপত ইংলেণ্ডক লীগ মেচত আৰু অষ্টেলিয়াক ছেমি ফাইনেলত হৰুৱাই ভাৰতীয় মহিলা ক্ৰিকেট দলে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে।*

বিৰাট কোহলিহতঁৰ দৰে মহিলা ক্ৰিকেটতো বহুত প্ৰতিভা আছে কিন্তু পৰ্যাপ্ত আন্তঃগাঁঠনী আৰু চৰকাৰৰ সদিচ্ছাৰ অভাৱত এই প্ৰতিভা সমূহে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হোৱা নাই কিন্তু এই প্ৰতিভা সমূহে সুযোগ পালে নিজকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজলাবলৈ সক্ষম হ'ব। এনে বহু প্ৰতিভা লুকাই আছে তাৰেই প্ৰমান কৰি দেখুৱালে ছবাৰকৈ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে হৰমনপ্ৰীত কৌৰে খেলা সেই ১৭১ ৰাণৰ বিস্ফোৰক ইনিংছটোৰে।শেহতীয়াকৈ মিতালী ৰাজৰ নেতৃত্বত ভাৰতীয় দলটোৱে সংবাদ মাধ্যমৰ লগতে দৰ্শকৰো পুৰুষ দলৰ সমানে দৃষ্টি কাঢ়িছে। সেই দিশলৈ লক্ষ্য কৰিলে ভাৰতৰ মহিলা দলেও ভৱিষ্যতে সমগ্ৰ বিশ্বতে নিজৰ শক্তি প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব।